# অধিক উৎপাদনৰ বাবে গাভিনী গৰুজনীৰ যতন লওঁ আহক

কৃত্রিম প্রজনন কৰাৰ পিছত গৰুজনী দুমাহলৈকে গৰম নহ'লে ওচৰৰ পশু চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰাই গাভিনী হৈছে নে নাই খাটাংকৈ নির্দ্ধাৰণ কৰি ল'ব লাগে। চাৰি মাহ অতিক্রম কৰাৰ পিছত গৰুজনীয়ে চেহেৰাৰ পৰিৱর্ত্তন দেখুৱায়। চেউৰী হ'লে লাহে লাহে ওহাৰ বাঢ়িব ধৰে। অৱশ্যে গাইগৰুৰ পোৱালি দিয়াৰ দহ-পোন্ধৰ দিন মানৰ আগতহে ওহাৰ নামিব ধৰে। এই সময়ত গৰুজনীক সুষম খাদ্য, প্রচুৰ নির্মল পানী আৰু বিশ্রামৰ দৰকাৰ কিয়নো এই সময়ত নিজৰ শৰীৰ ৰক্ষাৰ বাহিৰেও বাঢ়ি অহা পোৱালিটোৰ বাবে শৰীৰক আহাৰ যোগাব লাগে। এইটো সময়ত এজনী গাইগৰুৱে দিনটোত ত্রিশ /চল্লিশ কিলোগ্রাম কেঁচা ঘাঁহ আৰু পাঁচ /ছয় কিলোগ্রাম সুষম দানা আৰু অন্যান্য ভিটামিন আৰু ধাতৰ লোন পাব লাগে।

তাৰোপৰি গাইজনীক মূল জাকৰ পৰা আঁতৰাই অলপ পৃথক কৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই সময়ত আন আন খাদ্য দ্রব্যৰ লগতে ধাতৰ কেলচিয়াম খাদ্যও যোগান ধৰিব লাগে। নহ'লে গাইজনীয়ে অভাৱজনীত ৰোগত ভুগিব পাৰে যাৰ ফলত পিছ ঠেং দুখন জঠৰ হৈ তৎ নোহোৱা হয়। গর্ভৱস্থাৰ সময়ত হোৱা প্রধান ৰোগ হ'ল গর্ভপাত। গর্ভপাত হোৱাৰ কিবা লক্ষণ দেখিলে যেনে পেটত বিষ অনুভৱ হোৱা, যোনি পথেৰে বিজল আদি ওলোৱা, তৎক্ষণাৎ চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে।

*****

**(উৎস ঃ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, গুৱাহাটী - ২২)**